অধ্যায় ১০ ঃ ভাৰতত বাজেট গ্ৰহণ প্ৰক্ৰিয়া; ভাৰতত সাফল্যমুখী বাজেট

অধ্যায় গাঁথনি

১০১ উদ্দেশ্য
১০.২ পৰিচয়
১০.৩ ভাৰতত বাজেট গ্ৰহণ প্ৰক্ৰিয়া
১০.৪ ভাৰতত সাফল্যমুখী বাজেট
১০.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১০.৬ অধিক জানিবলৈ
১০.৭ অগ্ৰগতিৰ খতিয়ান
১০.৮ আৰ্হি প্ৰশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- বাজেটৰ অৰ্থ ব্যাখ্যা কৰিব পাৰিব।
- ভাৰতত বিত্তীয় পৰিকল্পনা গ্ৰহণৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব।
- বিত্তীয় পৰিকল্পনাৰ প্ৰস্তুতিৰ বিষয়ে জানিব পাৰিব।
- বিত্তীয় পৰিকল্পনাৰ অধিনিয়মৰ বিভিন্ন পৰ্যায়ৰ আলোচনা কৰিব পাৰিব।
- সাফল্যমুখী বিত্তীয় পৰিকল্পনাৰ ধাৰণা আৰু বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰিব পাৰিব।
- ভাৰতৰ প্ৰসংগত সাফল্যমুখী বিত্তীয় পৰিকল্পনাৰ আলোচনা কৰিব পাৰিব।

১০.২ পৰিচয়

দেশ এখনৰ বিত্তীয় প্ৰশাসন অতি গুৰুত্বপূৰ্ণ বিষয়বোৰৰ এটা হ'ল বিত্তীয় পৰিকল্পনাৰ প্ৰস্তুতি আৰু অনুমোদন। সঁচা কথা ক'বলৈ গ'লে যিকোনো দেশৰ চৰকাৰৰ কাৰ্য আৰু প্ৰশাসন কাৰ্যপন্থা নিৰ্ণয় কৰা আৰু এই কাৰ্যপন্থা কাৰ্যকৰী কৰাৰ বাবে প্ৰয়োজনীয় পুঁজি যোগাৰ কৰাৰ ওপৰত নিৰ্ভৰশীল। সেয়েহে বিত্তীয় পৰিকল্পনা গুৰুত্বপূৰ্ণ হৈ পৰে। এই অধ্যায়ত আমি ভাৰতত বিত্তীয় পৰিকল্পনা গ্ৰহণৰ প্ৰক্ৰিয়াটো আলোচনা কৰিম। ইয়াৰ উপৰিও আমি ভাৰতত সাফল্যমুখী বিত্তীয় পৰিকল্পনা কৌশল আৰু অনুশীলনৰ বিষয়েও আলোচনা কৰিম। সাঃ বিঃ নয়ে ভাৰতত বাজেট প্ৰক্ৰিয়াক দক্ষ কৰি তুলিব বিচাৰে।

১০.৩ ভাৰতত বাজেট গ্ৰহণৰ প্ৰক্ৰিয়া

"Budget" শব্দটো এটা ফৰাচী শব্দ "Bougette" যাৰ অর্থ হ'ল চামৰাৰ বেগ। বাজেট হ'ল ৰাজহ আৰু ব্যয়ৰ চৰকাৰী বিবৃতি। ই যোৱা বিত্তীয় বর্ষত হোৱা ৰাজহ সংগ্ৰহ আৰু ব্যয়ৰ বিস্তৃত বিৱৰণ দিয়ে। আৰু আগন্তুক বিত্তীয় বর্ষত হ'বলগীয়া ব্যয় আৰু বিভিন্ন উৎস আৰু কার্যৰ পৰা ৰাজহ সংগ্ৰহৰ আনুমানিক হিচাপ প্ৰস্তাৱ কৰে। ভাৰতৰ বিত্তীয় বর্ষ ১ এপ্ৰিলত আৰম্ভ হয় আৰু ৩১ মার্চত শেষ হয়।

বাজেট শব্দটো প্ৰকৃততে ভাৰতৰ সংবিধানৰ ক'তো উল্লেখ কৰা হোৱা নাই। তাৰ পৰিৱর্তে ভাৰতীয় সংবিধানে এক বার্ষিক বিত্তীয় বিবৃতি উত্থাপন কৰাৰ ব্যৱস্থা কৰিছে যি হ'ল প্ৰকৃততে আগন্তুক বিত্তীয় বর্ষত আনুমানিক আয়-ব্যয়ৰ হিচাপ। এই বিবৃতি গঠিত হয়-

ক) ৰাজহৰ বিবৃতি খ) ব্যয়ৰ বিবৃতি আৰু গ) ঘাটি ধন বা ৰাহি ধনৰ বিবৃতি; আৰু ঋণৰ পৰা হোৱা আয়, ডাকঘৰ জমা বেংক আৰু ৰাষ্ট্ৰীয় জমা প্ৰমাণ পত্ৰও থাকে।

- **বাজেটৰ প্ৰস্তুতি**

আগন্তুক বিত্তীয় বর্ষৰ বাবে বাজেট প্ৰস্তুতিৰ প্ৰক্ৰিয়াত চাৰিটা মাধ্যম অন্তভুর্ক্ত হয়- ১) বিত্তীয় মন্ত্ৰালয়, ২) বিভিন্ন বিভাগ/মন্ত্ৰালয় ৩) পৰিকল্পনা আয়োগ আৰু ৪) কম্প্ৰটলাৰ আৰু অডিটৰ জেনেৰেল

অৱশ্যে বাজেট প্ৰস্তুতিৰ সমগ্ৰ দায়িত্ব হ'ল বিত্ত মন্ত্ৰালয়। পৰৱর্তী বিত্তীয় বর্ষ আৰম্ভ হোৱাৰ ৬ ৰপৰা ৮ মাহৰ আগৰে পৰাই বাজেটৰ আনুমানিক হিচাপৰ কাম আৰম্ভ হয়।

- **বাজেট বিহিত কৰণ**

বাজেট বা 'বার্ষিক বিত্তীয় বিবৃতি' অনুমোদন হোৱাটো অত্যন্ত জৰুৰী, যিহেতু সংসদৰ আগতীয়া অনুমতি নোহোৱাকৈ কোনো কৰ সংগ্ৰহ কৰিব বা কোনো ব্যয় কৰিব নোৱাৰি। সংসদত বাজেট তলত দিয়া পর্যায় কেইটাৰ মাজেৰে যায়-

ক) লোকসভাৰ মজিয়াত বাজেট উপস্থাপন

খ) বাজেটৰ ওপৰত সাধাৰণ আলোচনা

গ) অনুমোদনৰ দাবীৰ ওপৰত ভোট গ্ৰহণ

ঘ) বিনিয়োজন বিধেয়ক আৰু ইয়াৰ অনুমোদন

ঙ) কৰ সংগ্ৰহ প্ৰস্তাৱ অর্থাৎ বিত্ত বিলৰ বিবেচনা আৰু অনুমোদন

(ক) বাজেট উপস্থাপন

ভাৰতীয় সংসদৰ বাজেট অধিবেশন আৰম্ভ হয় ফ্ৰেব্ৰুৱাৰীৰ মাজভাগত। সংসদত বাজেট দুটা ভাগত উপস্থাপন হয়- ৰেলৱে বাজেট আৰু সাধাৰণ বাজেট। ৰেলৱে বাজেটে ৰেলসেৱাৰ আয় আৰু ব্যয়ৰ হিচাপ প্ৰস্তুত কৰে। ৰেলমন্ত্ৰীয়ে পৃথকভাৱে এই বাজেট সংসদত উত্থাপন কৰে। সাধাৰণ বাজেটে ৰেল সেৱাৰ বাহিৰে চৰকাৰৰ আন সকলো বিভাগৰ আয়-ব্যয় বিবেচনা কৰে। এই বাজেট বিত্তমন্ত্ৰীয়ে সংসদত উত্থাপন কৰে। ৰেলৱে বাজেট আৰু সাধাৰণ বাজেট অনুমোদনৰ প্ৰক্ৰিয়া একেই। ৰেলৱে বাজেট উত্থাপন সাধাৰণ বাজেটতকৈ আগতে হয়। পৰম্পৰা অনুসৰি ফেব্ৰুৱাৰী মাহৰ তৃতীয় সপ্তাহত

ৰেলমন্ত্ৰীয়ে ৰেলৰে বাজেট উত্থাপন কৰে। আনহাতে সাধাৰণ বাজেট উত্থাপন কৰে বিত্তমন্ত্ৰীয়ে ফ্ৰেব্ৰুৱাৰী মাহৰ শেষ কৰ্মৰত দিনত বাজেট ভাষণ নামেৰে এক ভাষণৰ দ্বাৰা।

(খ) সাধাৰণ আলোচনা

সংসদৰ ব্যৱসায়ৰ ব্যৱহাৰৰ নিয়মৰ ১৩০ নম্বৰ নিয়ম অনুসৰি- 'সংসদত বাজেট উত্থাপন হোৱাৰ দিনটোত কোনো আলোচনা অনুষ্ঠিত হ'ব নোৱাৰি। লোকসভাৰ অধ্যক্ষই বাজেটৰ ওপৰত সাধাৰণ আলোচনাৰ দিন ঠিক কৰে। সাধাৰণতে বাজেট উত্থাপনৰ এসপ্তাহৰ পাছত এই তাৰিখ ঠিক কৰা হয়। এই উদ্দেশ্যে চাৰি দিন সময় দিয়া হয়। আলোচনা বাজেটক কেন্দ্ৰ কৰি অনুষ্ঠিত হয় অথবা ই ইয়াত অন্তৰ্ভুক্ত নীতিত গুৰুত্ব দিয়ে। এই আলোচনাই বিৰোধী পক্ষক চৰকাৰক এটা বছৰৰ কাম-কাজৰ পুনৰীক্ষণ কৰিবলৈ আৰু আপত্তিবোৰ দৰ্শাবলৈ অনুমতি দিয়ে। এই পৰ্যায়ত কোনো ***কৰ্তন প্ৰস্তাৱ*** (Cut Motion) উত্থাপিত নহয় আৰু সংসদত ভোটৰ বাবে বাজেট দাখিল কৰা হয়। বাজেটৰ সাধাৰণ আলোচনা সংসদৰ দুয়োখন সভাতেই একে সময়তে অনুষ্ঠিত হয়। আলোচনাৰ শেষত বিত্তমন্ত্ৰীয়ে এক সাধাৰণ উত্তৰ দিয়ে।

কৰ্তন প্ৰস্তাৱ ঃ কৰ্তন প্ৰস্তাৱে লোক সভাৰ সদস্যবোৰক চৰকাৰে আলোচনা কৰা বিত্তীয় বিল থকা দাবী প্ৰতিৰোধ কৰাৰ ক্ষমতা প্ৰদান কৰে।

(গ) অনুদানৰ দাবীৰ ভোট গ্ৰহণ

সাধাৰণ আলোচনাৰ পাছত ভাৰতৰ সঞ্চিত নিধিৰ ওপৰত ন্যস্ত নোহোৱা অনুদানৰ দাবীসমূহৰ ওপৰত ভোট গ্ৰহণ কৰা হয়। অনুদানৰ দাবীসমূহ প্ৰত্যেকটো মন্ত্ৰালয় সাপেক্ষে উত্থাপন কৰা হয়। অকল লোকসভাৰহে ভোট গ্ৰহণৰ অধিকাৰ আছে। ৰাজ্য সভাই ইয়াত অংশগ্ৰহণ নকৰে। ভাৰতত অনুদানৰ দাবীৰ ভোট গ্ৰহণৰ বাবে চাবিচ্ছ দিনৰ সময় নিৰ্ধাৰণ কৰা হৈছে। এই সময়ছোৱাত লোক সভাই সকলো দাবী পাছ কৰাব লাগে। অধ্যক্ষই, লোকসভাৰ নেতাৰ সহযোগত প্ৰত্যেকটো দাবীৰ বাবে আৰু বাজেটৰ ব্যয় অংশৰ বাবে একোটা সময়সীমা নিৰ্ধাৰণ কৰে। এই সময়ছোৱাৰ শেষৰ দিনটোত বাকী ৰোৱা সকলো দাবীৰ ওপৰত ভোট গ্ৰহণ অনুষ্ঠিত হয়, যদিও সেইবোৰৰ ওপৰত লোকসভাই আলোচনা নকৰিবও পাৰে। দাবী এটা ভোট গ্ৰহণৰ পাছত হৈ পৰে অনুদান। ইয়াতেই উল্লেখ কৰিব লাগিব যে এটা দাবীক নাকচ কৰিব পাৰে বা হ্ৰাস কৰিব পাৰে কিন্তু বৃদ্ধি কৰিব নোৱাৰে। অধিক ধনৰ প্ৰয়োজন হ'লে চৰকাৰে পৰিপূৰক অনুদান গ্ৰহণ কৰিব পাৰে বা ভাৰতৰ আকস্মিক নিধিৰ পৰা ব্যয় কৰিব পাৰে।



জানি থোৱা ভাল

চৰকাৰে আয়কৰ, কেন্দ্ৰীয় আবকাৰী শুল্ক , শুল্ক আদিৰ পৰা লাভ কৰা ৰাজহ আৰু অনাকৰ ৰাজহৰ সংযোগত চৰকাৰে লাভ কৰা অন্যান্য আয় আদি ভাৰতৰ সংবিধানৰ ১৬৬ (১) অনুচ্ছেদৰ অধীনত নিধি জমা কৰা হয়। একেদৰে চৰকাৰে ৰাজহুৱা জাননী জাৰী কৰি, উৎপাদন কৰা ঋণ, কোষাগাৰ বিধেয়ক আৰু বিদেশী চৰকাৰৰ আৰু আন্তৰ্জাতিক অনুষ্ঠান আদিৰপৰা লাভ কৰা ঋণ আদি এই নিধিত জমা কৰা হয়। চৰকাৰৰ সকলো খৰচ এই নিধিৰ পৰা কৰা হয়। সংসদৰ অনুমতি অবিহনে কোনো ধন এই নিধিৰ পৰা উলিয়াব নোৱাৰি।

২৬৭ অনুচ্ছেদৰ অধীনত চৰকাৰে আকস্মিক নিধিৰ ব্যৱস্থা কৰিছে, যাৰ ধন অকস্মাত আহি পৰা খৰছৰ বাবে ব্যৱহাৰ কৰা হয়। এই নিধিৰ পৰিমাণ ৫০ কোটি টকা আৰু ইয়াক ধাৰণ কৰে ৰাষ্ট্ৰপতিৰ হৈ ভাৰত চৰকাৰৰ সচিব, বিত্তমন্ত্ৰী, বিত্তীয় কাৰ্য বিভাগ।

(ঘ) বিনিয়োজন বিধেয়ক আৰু ইয়াৰ অনুমোদন

পৰৱৰ্তী পৰ্যায়টো হ'ল বিনিয়োজন বিধেয়ক অনুমোদন। লোক সভাই অনুমোদন কৰা সকলো অনুদানৰ দাবী আৰু ভাৰতৰ সঞ্চিত নিধিৰ ওপৰত ন্যস্ত সকলো ব্যয় বাৰ্ষিক বিনিয়োজন বিধেয়ক বোলা এখন বিধেয়কত অন্তৰ্ভুক্ত কৰা হয়। এনে এখন বিনিয়োজন বিধেয়ক লোকসভাই উত্থাপন কৰে। বিধেয়কখনৰ বিভিন্ন পৰ্যায়ৰ বাবে সময়সীমা অধ্যক্ষই নিৰ্ধাৰণ কৰে। আনুমানিক হিচাপৰ আলোচনাত সামৰি নোলোৱা বিষয়সমূহত সীমাবদ্ধ থাকে। এই বিধেয়কখনে অন্যান্য বিধেয়কসমূহৰ দৰে একেই প্ৰক্ৰিয়াৰ মাজেৰে আগবাঢ়ে। কিন্তু কোনো এখন সভাই ইয়াত সংশোধন কৰিব নোৱাৰে, বা ইয়াৰ লক্ষ্য সলনি কৰিব নোৱাৰে আৰু সঞ্চিত নিধিৰ ব্যয় সমূহ পৰিৱৰ্তন কৰিব নোৱাৰে। লোকসভাত গৃহীত হোৱাৰ পাছত এই বিধেয়কখনক (Money Bill) বুলি জনা যায় আৰু ইয়াক ৰাজ্য সভালৈ পঠিওৱা হয়। ৰাজ্য সভাৰ ইয়াক সংশোধন কৰা বা নাকচ কৰাৰ অধিকাৰ নাই। ই কেৱল ১৪ দিনৰ ভিতৰত আলোচনা কৰিব পাৰে আৰু লোকসভাক পৰামৰ্শ দিব পাৰে। লোকসভাই এই পৰামৰ্শ গ্ৰহণ কৰিবও পাৰে বা নকৰিবও পাৰে। লোক সভাই এই পৰামৰ্শবোৰ গ্ৰহণ নকৰিলেও লোকসভাই গ্ৰহণ কৰা ধৰণেই এই বিধেয়ক দুয়ো সভাই গ্ৰহণ কৰা বুলি ধৰা হয়। এই বিনিয়োজন বিধেয়কখন ৰাষ্ট্ৰপতিৰ অনুমোদনৰ বাবে পঠিয়াই দিয়া হয়। ৰাষ্ট্ৰপতিয়ে সন্মতি দিবলৈ বাধ্য যিহেতু ৰাষ্ট্ৰপতিয়ে Money Bill পুনৰীক্ষণৰ বাবে ওভোতাই পঠিয়াব নোৱাৰে।

বিনিয়োজন বিধেয়ক অনুমোদন হোৱাটো জৰুৰী যিহেতু ৰাষ্ট্ৰপতিৰ অনুমোদনক্ৰমেহে ৰাজহুৱা পুঁজিৰ পৰা টকা উলিওৱা আৰু আইন অনুসৰি ব্যয় কৰাৰ বাবে চৰকাৰক সংসদে দিয়া কৰ্তৃত্বক বিনিয়োজন আইনে সাকাৰ ৰূপ দিয়ে।

(ঙ) বিত্ত বিল আৰু ইয়াৰ অনুমোদন

বিনিয়োজন আইনে চৰকাৰক সঞ্চিত নিধিৰপৰা ধন ব্যৱহাৰ কৰাৰ কৰ্তৃত্ব প্ৰদান কৰে। অৱশ্যে, ধন ব্যয় কৰাৰ ধৰণবোৰ স্থিৰ কৰিবলৈ বাকী তেতিয়াও থাকে। সেই অনুসৰি, ৰাজহ সংগ্ৰহৰ যোগেদি ধন সংগ্ৰহ কৰাৰ ব্যৱস্থা কৰা হৈছে। এই উদ্দেশ্য লোকসভাৰ আগত বিত্ত বিল উত্থাপন কৰা হৈছে। এই বিলত আগন্তুক বৰ্ষৰ বাবে চৰকাৰৰ বিত্তীয় প্ৰস্তাৱ অন্তৰ্ভুক্ত কৰা হয়। সংসদত এই বিল বাজেটৰ লগে লগে উত্থাপন কৰা হয়। Money Billৰ প্ৰক্ৰিয়াই ইয়াত অনুসৰণ কৰা হয়। Provisional Collection of Taxes Act, 1931 ৰ অধীনত বাজেট উত্থাপন হোৱাৰ লগতে বিত্তীয় প্ৰস্তাৱ কাৰ্যকৰী হয়। এপ্ৰিল মাহ শেষ হোৱাৰ লগে লগে চৰকাৰে ৰাজহ সংগ্ৰহ কৰাৰ কৰ্তৃত্ব লাভ কৰে।

বিনিয়োজন বিধেয়ক আৰু বিত্ত বিলৰ অনুমোদনৰ লগে লগে বাজেট অধিনিয়মৰ প্ৰক্ৰিয়াটো সম্পূৰ্ণ হয়। ইয়াতেই উল্লেখ কৰিব পাৰি যে বাজেটৰ আনুমানিক হিচাপ বিশেষ পৰিস্থিতিত কিছুমান ব্যয়ৰ বাবে যথেষ্ট নহ'বও পাৰে। এই পৰিস্থিতিবোৰৰ মুখা-মুখি হ'বলৈ কিছুমান অনুদানৰ ব্যৱস্থা কৰা হৈছে যেনে- ক) পৰিপূৰক অনুদান খ) হিচাপৰ অনুদান গ) ব্যতিক্ৰমী অনুদান আৰু ঘ) অনুকলন ভোট ঙ) অতিৰিক্ত অনুদান চ) প্ৰতীকী অনুদান।

বাজেটৰ বিভিন্ন পৰ্যায়সমূহ তলত দিয়া ধৰণে দেখুৱাব পাৰি—

বাজেটৰ প্ৰস্তুতি

↓

বাজেট বিহিত কৰণ

↓

লোকসভাৰ মজিয়াত বাজেট উপস্থাপন

↓

বাজেটৰ ওপৰত সাধাৰণ আলোচনা

↓

অনুমোদনৰ দাবীৰ ওপৰত ভোট গ্ৰহণ

↓

বিনিয়োজন বিধেয়ক আৰু ইয়াৰ অনুমোদন

↓

কৰ সংগ্ৰহ প্ৰস্তাৱ অৰ্থাৎ বিত্ত বিলৰ বিবেচনা আৰু অনুমোদন



অগ্ৰগতিৰ খতিয়ান

প্ৰশ্ন নং ১ঃ বাৰ্ষিক বিত্তীয় বক্তব্যৰ তিনিটা উপাদান উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ২ঃ বিত্তীয় পৰিকল্পনাৰ অধিনিয়মৰ পাঁচটা পৰ্যায় উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ৩ঃ ৰাজ্য সভাৰ বিনিয়োজন বিধেয়ক সংশোধন কৰাৰ ক্ষমতা আছে।
(শুদ্ধ/অশুদ্ধ)

.....

প্ৰশ্ন নং ৪ঃ সকলো ধৰণৰ অনুদানৰ ওপৰত লোক সভাই ভোট গ্ৰহণ কৰে আৰু ভাৰতৰ সঞ্চিত পুঁজিত অন্তৰ্ভুক্ত হোৱা সকলো খৰছ বাৰ্ষিক ..... বিধেয়ক নামৰ বিধেয়কত অন্তৰ্ভুক্ত কৰা হয়। (খালী ঠাই পূৰণ কৰক)

১০.৪ ভাৰতত সাফল্যমুখী বাজেট

সাফল্যমুখী বাজেট বিত্তীয় প্ৰশাসনৰ সংস্কাৰৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। বিত্তীয় প্ৰশাসনত সাফল্যমুখী বাজেট অৱলম্বন কৰাত আমেৰিকাই বাটকটীয়াৰ ভূমিকা গ্ৰহণ কৰিছিল। প্ৰথম হুভাৰ কমিছনে বিত্তীয় পৰিকল্পনা আৰু হিচাপ ৰক্ষাৰ ওপৰত ইয়াৰ প্ৰতিবেদনত

সম্পাদনমুখী বিত্তীয় পৰিকল্পনাৰ ধাৰণাটোৰ সূচনা কৰিছিল, য'ত ই উপদেশ দিছিল যে আমেৰিকাৰ যুক্তৰাষ্ট্ৰীয় চৰকাৰে বিত্তীয় পৰিকল্পনাৰ সম্পূৰ্ণ ধাৰণাটো কাৰ্য, কাৰ্যকলাপ আৰু প্ৰকল্পৰ ওপৰত ভিত্তি কৰি পুনৰ্গঠন কৰিব লাগে, যাতে বিভিন্ন চৰকাৰী বিভাগৰ ভৌতিক আৰু বিত্তীয় বিষয়সমূহক সংযুক্ত কৰিব পৰা যায় প্ৰয়োজনীয় পুঁজি আৰু প্ৰত্যেকটো কাৰ্য বিভাজনৰ তলত লক্ষ্য সাধনৰ ওপৰত গুৰুত্ব দি পৰৱৰ্তী সময়ত এছিয়া, আফ্ৰিকা আৰু লেটিন আমেৰিকাৰ বহু দেশে সম্পাদনমুখী বাজেট গ্ৰহণ কৰে। ভাৰতত পঞ্চবাৰ্ষিক পৰিকল্পনা গ্ৰহণৰ পৰাহে বিত্তীয় পৰিকল্পনাৰ পুনৰ্গঠনৰ প্ৰয়োজনীয়তা অনুভৱ কৰা হয়। ***পল এইচ এপলবাইয়ে*** (Paul H. Appleby) পোন প্ৰথম বাৰৰ বাবে ভাৰতৰ আনুষ্ঠানিক ব্যৱস্থাত পাৰফৰ্মেন্স বাজেটিঙৰ প্ৰাসংগিকতাৰ বিষয়ে অধ্যয়ন কৰিছিল। লোক সভাৰ গাণনিক কমিটিয়ে Estimate Committee ইয়াৰ বিংশ প্ৰতিবেদনত পাৰ্ফৰ্মেন্স বাজেটিং গ্ৰহণৰ পৰামৰ্শ দিয়ে। ১৯৬০ চনৰ ৩য় প্ৰতিবেদনত ই এই উপদেশটো দোহাৰে। এই প্ৰতিবেদনৰ বক্তব্য আছিল যে বিত্তীয় পৰিকল্পনাৰ সাফল্য তথা কাৰ্যমুখী ব্যৱস্থাই বাজেটত অন্তৰ্ভুক্ত আঁচনি আৰু ব্যয়ৰ মূল্য নিৰ্ধাৰণৰ ক্ষেত্ৰত বিশেষকৈ বৃহৎ উন্নয়নমূলক কাৰ্যৰ ক্ষেত্ৰত উপযোগী হ'ব।

১৯৬৪ চনত পৰিকল্পনা আয়োগে কয় যে সাফল্যমুখী বাজেটিঙৰ উপযুক্ত কৌশল গ্ৰহণ কৰা উচিত যাতে এইবোৰ আঁচনি ৰূপায়নৰ পৰিকল্পনা আৰু নিৰীক্ষণ যন্ত্ৰৰ অবিচ্ছেদ্য অংগ হৈ পৰে। ভাৰতত পাৰ্ফৰ্মেন্স বাজেটিং গ্ৰহণৰ ক্ষেত্ৰত আন এটা মাইলৰ খুঁটি হ'ল ১৯৬৪ চনত বিত্ত, হিচাপ আৰু হিচাপ পৰীক্ষাৰ ওপৰত প্ৰশাসনীয় সংস্কাৰ আয়োগে দাখিল কৰা প্ৰতিবেদন। এই প্ৰতিবেদনে পৰামৰ্শ দিয়ে যে সাফল্যমুখী বাজেটিঙৰ বাবে বাচনি কৰা প্ৰত্যেক বিভাগ বা অনুষ্ঠানত আঁচনি আৰু কাৰ্যৰ শ্ৰেণী বিভাজন কৰা হ'ব লাগে। এই প্ৰতিবেদনে কেন্দ্ৰীয় আৰু ৰাজ্যিক দুয়ো পৰ্যায়তে সাফল্যমুখী বিত্তীয় পৰিকল্পনাৰ পৰামৰ্শ দিছিল। ক্ৰমানুসৰি কেন্দ্ৰীয় চৰকাৰে প্ৰশাসনীয় সংস্কাৰ আয়োগ (Administrative Reforms Commission)ৰ অনুমোদনসমূহ গ্ৰহণ কৰে। বৰ্তমান সময়ত সকলোবোৰ উন্নয়নমূলক বিভাগকে লৈ বেছিভাগ বিভাগকে এই আঁচনিৰ অন্তৰ্ভুক্ত কৰা হৈছে। বহুতো ৰাজ্য চৰকাৰেও সাফল্যমুখী বিত্তীয় পৰিকল্পনা প্ৰস্তুত কৰি আছে। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ ভিতৰত সাফল্যমুখী বাজেটৰ প্ৰসাৰত বিত্ত মন্ত্ৰালয়ৰ বাজেট বিভাগে বিশেষ ভূমিকা পালন কৰিছে। উপযুক্ত আদেশ আৰু নিৰ্দেশনাৰ জৰিয়তে বিভিন্ন মন্ত্ৰালয় আৰু ৰাজ্য চৰকাৰৰ কাৰ্যৰ সমন্বয় সাধন কৰাৰ উদ্দেশ্যে এক বিশেষ গোটৰ সৃষ্টি কৰা হয়। ক্ৰমাগতভাৱে বাজেট আৰু গণনা কক্ষৰ অংশ হিচাপে কাৰ্যকৰী গোট কিছুমান গঠন কৰা হয়। উপযুক্ত আঁচনি আৰু কাৰ্য গাঁথনি গঠনৰ বাবে আৰু সাফল্যৰ তথ্য উৎপন্ন কৰাৰ উদ্দেশ্যে।



পল হেনচন এপলবাই(Paul Henson Appleby) (*১৩ ছেপ্তেম্বৰ ১৪৯১ -অক্টোবৰ ১৯৬৩)* ঃ তেওঁ আগশাৰীৰ আমেৰিকান পণ্ডিত আৰু লোক প্ৰশাসনৰ তাত্ত্বিক আছিল। তেওঁ ছাইৰেকাছ বিশ্ববিদ্যালয়ৰ মেক্সৱেল স্কুল অফ্ চিটিজেনশ্বিপ আৰু পাব্লিক একেয়াৰছৰ ডীন আছিল।

- **সাফল্যমুখী বিত্তীয় পৰিকল্পনাৰ সীমাবদ্ধতা**

সাফল্যমুখী বিত্তীয় পৰিকল্পনা নিখুত নহয়। ইয়াৰ কিছুমান সীমাবদ্ধতা তলত দেখুওৱা হ'ল।

- চৰকাৰী কাৰ্যক কাৰ্য, আঁচনি কাৰ্যকলাপত ভাগ কৰিবলৈ বিচাৰো কিন্তু বাস্তৱিকতে এনে সুসংগত বিভাজন সম্ভৱ নহ'বও পাৰে।
- কৌশলে গুণগত বিভাজনতকৈ সংখ্যাগত বিভাজনত অধিক গুৰুত্ব আৰোপ কৰে।
- আঁচনিৰ উপাদানৰ ওপৰত ভিত্তি কৰি নিৰ্ধাৰণ খৰচ অনুমানৰ ওপৰত ধন আৰন্টন কৰা কঠিন। এই হিচাপ প্ৰায়েই যিমান অৰ্থপূৰ্ণ হ'ব লাগে সিমান নহয়।

অৱশ্যে উপযুক্ত সীমাবদ্ধতাবোৰ থকা স্বত্বেও সাফল্যমুখী বাজেটৰ কৌশল অনিবাৰ্য যিহেতু ই বিত্তীয় বিষয়ক উন্নয়নমূলক লক্ষ্য পূৰণৰ লগত যোগসূত্ৰ স্থাপন কৰে। সাফল্যমুখী বাজেটে প্ৰত্যেকটো আঁচনি আৰু কাৰ্যাৱলীৰ বিত্তীয় আৰু ভৌতিক বিষয়সমূহৰ সমন্বয় সাধন কৰে, প্ৰচেষ্টা আৰু ফলাফলৰ মাজত এক উপযুক্ত সম্পৰ্ক স্থাপনৰ দ্বাৰা। ইয়ে ৰাজহুৱা সম্পদৰ ওপৰত সংসদীয় নিয়ন্ত্ৰণত সহায় কৰে। উন্নয়নমুখী আঁচনিৰ ৰূপায়ণ তথা প্ৰশাসনিক আৰু বিত্তীয় নিয়ন্ত্ৰণৰ জৰিয়তে সাফল্যৰ মূলায়ণ কৰাৰ উদ্দেশ্যে সাফল্যমুখী বাজেট হ'ল এক ফলপ্ৰসূ পৰিচালনাৰ সঁজুলি।



অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ৫ঃ কোনখন সমিতিয়ে সাফল্যমুখী বাজেটৰ ধাৰণাটোৰ সূচনা কৰিছিল?

.....

প্ৰশ্ন নং ৬ঃ কোনজন আমেৰিকান পণ্ডিতে ভাৰতীয় আনুষ্ঠানিক গাঁথনিত সাফল্যমুখী বাজেটৰ প্ৰাসংগিকতাৰ বিষয়ে প্ৰথমবাৰৰ বাবে অধ্যয়ন কৰিছিল।

.....

প্ৰশ্ন নং ৭ঃ সাফল্যমুখী বাজেটৰ দুটা সীমাবদ্ধতা উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ৮ঃ লোকসভাৰ সমিটিয়ে ইয়াৰ বিংশ প্ৰতিবেদনত সাফল্যমুখী বাজেট গ্ৰহণৰ পৰামৰ্শ দিয়ে।

.....

.....



১০.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বাজেট হ'ল কৰ আৰু খৰছৰ ওপৰত চৰকাৰী বক্তব্য। ভাৰতত ১ এপ্ৰিলৰ পৰা বিত্তীয় বৰ্ষ আৰম্ভ হয় আৰু ৩১ মাৰ্চত শেষ হয়।
- বাজেট প্ৰস্তুত কৰাৰ সমগ্ৰ দায়িত্ব হ'ল বিত্ত মন্ত্ৰালয়ৰ। সংসদত বাজেট অনুমোদন হোৱাটো অত্যন্ত গুৰুত্বপূৰ্ণ। যিহেতু সংসদৰ অনুমোদন অবিহনে কোনো কৰ সংগ্ৰহ বা কোনো খৰচ কৰিব নোৱাৰি।
- সংসদত বাজেট চাৰিটা পৰ্য্যায়ৰ মাজেৰে আগবাঢ়ে। লোকসভাত বাজেট উত্থাপন, বাজেটৰ ওপৰত সাধাৰণ আলোচনা, অনুদানৰ দাবীৰ ওপৰত ভোট, আৰু কৰ সংগ্ৰহৰ প্ৰস্তাৱ বা বিত্তীয় বিলৰ অনুমোদন।

- সংসদত বাজেট দুটা ভাগত উত্থাপিত হয়- ৰেলৰে বাজেট আৰু সাধাৰণ বাজেট। ৰেলৰে বাজেটে ৰেলসেৱাৰ পৰা হ'ব লগা আয় আৰু ব্যয় বিবেচনা কৰে। ৰেলমন্ত্রীয়ে পৃথকভাৱে সংসদত এই বাজেট উত্থাপন কৰে।
- সাধাৰণ বাজেটে ৰেলসেৱাৰ বাহিৰে চৰকাৰৰ আন সকলো বিভাগৰ আয় ব্যয় বিবেচনা কৰে। এই বাজেট বিত্ত মন্ত্রীয়ে সংসদত উত্থাপন কৰে। ৰেলৰে বাজেট আৰু সাধাৰণ বাজেট অনুমোদনৰ প্ৰক্ৰিয়া একেই।লোকসভাৰ অধ্যক্ষই বাজেটৰ ওপৰত সাধাৰণ আলোচনাৰ তাৰিখ নির্ণয় কৰে। বাজেটৰ সাধাৰণ আলোচনা সংসদৰ দুয়োখন সভাতেই একে সময়তে অনুষ্ঠিত হয়। আলোচনাৰ শেষত বিত্তমন্ত্রীয়ে এক সাধাৰণ উত্তৰ দিয়ে।
- সাধাৰণ আলোচনাৰ পাছত ভাৰতৰ একত্রিত পুঁজিৰ ওপৰত ন্যস্ত অনুদানৰ দাবী সমূহৰ ওপৰত ভোট গ্ৰহণ হয়। অনুদানৰ দাবীসমূহ প্ৰত্যেকটো মন্ত্রালয় সাপেক্ষে উপস্থাপন কৰা হয়। অকল লোকসভাৰহে এই ক্ষেত্রত ভোট গ্ৰহণৰ অধিকাৰ আছে। ৰাজ্য সভাই ইয়াত অংশগ্রহণ নকৰে।
- সকলো ধৰণৰ অনুদানৰ দাবীত লোক সভাই ভোট গ্ৰহণ কৰে। ভাৰতৰ সঞ্চিত নিধিত অন্তর্ভুক্ত হোৱা সকলো খৰছ এখন বিধেয়কৰ অন্তর্ভুক্ত কৰা হয় যাক বার্ষিক বিনিয়োজন বিধেয়ক (Appropriation Bill) বুলি কোৱা হয়। এনে বিনিয়োজন বিধেয়ক লোক সভাই প্রস্তাৱ কৰে। ৰাজ্য সভাৰ ইয়াক সংশোধন কৰা নাইবা নাকচ কৰাৰ কোনো ক্ষমতা নাই। ৰাষ্ট্রপতিয়ে এই বিল অনুমোদন কৰিবলৈ বাধ্য কাৰণ ৰাষ্ট্রপতিয়ে ধন বিধেয়ক (Money Bill) পুনৰ বিবেচনাৰ বাবে ওভোতাই পঠিয়াব নোৱাৰে।
- বিনিয়োজন বিধেয়ক অনুমোদন হোৱাটো জৰুৰী যিহেতু চৰকাৰক সংসদে ৰাষ্ট্রপতিৰ অনুমোদন ক্রমে ৰাজহুৱা পুঁজিৰ পৰা টকা উলিওৱা আৰু আইন অনুসৰি ব্যয় কৰাৰ বাবে দিয়া কর্ত্তৃত্বক বিনিয়োজন আইনে সাকাৰ ৰূপ দিয়ে।
- বাজেটৰ আনুমানিক হিচাপ বিশেষ পৰিস্থিতিত কিছুমান ব্যয়ৰ বাবে যথেষ্ট নহ'বও পাৰে। এই পৰিস্থিতিবোৰৰ মুখা-মুখি হ'বলৈ কিছুমান অনুদানৰ ব্যৱস্থা কৰা হৈছে যেনে- ক) পৰিপূৰক অনুদান খ) হিচাপৰ অনুদান গ) ব্যতিক্রমী অনুদান আৰু ঘ) অনুকলন ভোট ঙ) অতিৰিক্ত অনুদান চ) প্রতীকী অনুদান।
- সাফল্যমুখী বাজেটে কার্য, কার্যক্রম আৰু পৰিণামৰ ৰাজহুৱা খৰছ উপস্থাপন কৰে। এনেদৰে ই পৰম্পৰাগত বাজেটতকৈ পৃথক যিয়ে খৰছৰ উপাদান যেনে কর্মচাৰীবৃন্দ, আচবাব পত্র, সঁজুলি আদিৰ ওপৰত অধিক গুৰুত্ব দিয়ে।
- সাফল্যমুখী বাজেটৰ ইতিহাস বিচাৰিলে জনা যায় যে আমেৰিকাই দেশখনৰ বিত্তীয় প্রশাসনত সাফল্যমুখী বাজেট গ্রহণত বাটকটীয়াৰ ভূমিকা পালন কৰিছিল। প্রথম হুভাৰ কমিছনে বিত্তীয় পৰিকল্পনা আৰু গণনাৰ ওপৰত ইয়াৰ প্রথম প্রতিবেদনত সাফল্যমুখী বাজেটৰ ধাৰণাটোৰ সূচনা কৰিছিল। ক্রমান্বয়ে এছিয়া, আফ্রিকা আৰু লেটিন আমেৰিকাৰ বহু কেইখন দেশে সাফল্যমুখী বাজেট গ্রহণ কৰে।
- সাফল্যমুখী বাজেটৰো কিছুমান সীমাবদ্ধতা আছে। অৱশ্যে সীমাবদ্ধতা থকা স্বত্বেও